**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-**05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::**

১। দেশত বৰ্তমান পৰ্যাপ্ত পৰিমাণৰ পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছ মজুত আছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে সীমান্তক সুৰক্ষা কৰাৰ লগতে অবৈধ অনুপ্ৰবেশত বাধা প্ৰদান কৰাতো দেশৰ বৰ্তমানৰ ভৌগলিক নিৰাপত্তাৰ বাবে অতি প্ৰয়োজন।

৩। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে অনুপ্ৰৱেশৰ ফলত ৰাজ্যখনৰ জনগাথনিৰ ওপৰত পৰা প্ৰভাৱৰ বাবে উদ্বিগ্নতা প্ৰকাশ কৰিছে।

৪। মেঘালয়ৰ ৰাজ্যসভা আসনৰ বাবে অহা ১৮ জুনত দ্বিবাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হ'ব। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

দেশত বৰ্তমান পৰ্যাপ্ত পৰিমাণৰ পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছ মজুত আছে আৰু শোধনাগাৰসমূহে উৎকৃষ্টমানৰ সেৱা আগবঢ়াই আহিছে। নতুন দিল্লীত আজি অনুষ্ঠিত আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ এখন সংবাদমেলত অংশগ্ৰহণ কৰি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে বৰ্তমান প্ৰতিদিনে ৯২ হাজাৰ মেট্ৰিকটন প্ৰাকৃতিক গেছ উৎপাদন হৈ আছে আৰু এই পৰিমাণ সৰ্বোচ্চ বুলি উল্লেখ কৰিব পাৰি। তেওঁ লগতে জানিবলৈ দিয়ে যে প্ৰাকৃতিক গেছৰ বিতৰণৰ ক্ষেত্ৰত কোনো ধৰণৰ নাটনি হোৱা নাই। খুচুৰা বিক্ৰী কেন্দ্ৰসমূহৰ বিষয়ে জানিবলৈ দি তেওঁ কয় যে পেট্ৰলৰ ক্ষেত্ৰত ১৫০ খন জিলাত বৰ্তমানে ৩০ শতাংশ আৰু ১৫৬ খন জিলাত ৩০ শতাংশতকৈ উৎপাদন বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। শ্ৰীমতী শৰ্মাই লগতে চৰকাৰে বৰ্তমানৰ পৰিস্থিতি নিৰীক্ষণ কৰি থকা বুলিও জানিবলৈ দিয়ে। বন্দৰ, জাহাজ আৰু জল পৰিবহন মন্ত্ৰালয়ৰ সচিব অ'পেশ কুমাৰ শৰ্মাই কয়, যে মন্ত্ৰালয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, বৈদেশিক কূটনৈতিক বিভাগ, আৰু সামুদ্ৰিক নিৰাপত্তাৰ অংশীদাৰসকলৰ সৈতে সহযোগিতা ৰাখি কাম কৰি আছে। তেওঁ লগতে জানিবলৈ দিয়ে যে হৰমুজ প্ৰণালীৰ পৰা খাৰুৱা তেল কঢ়িওৱা নিচোচ কেৰোজ জাহাজখনে সুৰক্ষিতভাৱে যাত্ৰা আৰম্ভ কৰিছে আৰু ৩ জুনত বিশাখাপট্টনম পাবহি বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, এই জাহাজখনে প্ৰায় ২ লাখ আৰু ৭০ হাজাৰ মেট্ৰিকটন খাৰুৱা তেল কঢ়িয়াই আনিছে। তেওঁ লগতে কয়, যে সাগৰীয় অঞ্চলত বানিজ্যৰ সৈতে জড়িত ভাৰতীয় লোকসকল বৰ্তমান

নিৰাপদ আৰু জাহাজখন কঢ়িয়াই অনাৰ সময়ত  এই লোকসকলে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ কথা পোহৰলৈ অহা নাই।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে সীমান্তক সুৰক্ষা কৰাৰ  লগতে অবৈধ অনুপ্ৰবেশত বাধা প্ৰদান কৰাতো দেশৰ বৰ্তমানৰ ভৌগলিক নিৰাপত্তাৰ বাবে অতি প্ৰয়োজন। সংবেদনশীল বুলি বিবেচিত ভাৰত পাকিস্তানৰ সীমান্তৱৰ্তী এলেকাৰ গুজৰাট আৰু ভোজ অঞ্চলৰ জি-চেভেন আৰু জি-থাৰ্টিন সীমা চাউনি ভ্ৰমণ কৰি তাত উপস্থিত হোৱা সেনা আৰু জনসাধাৰণক উদ্দেশ্যি মন্ত্ৰীজনে এইদৰে উল্লেখ কৰে। শ্ৰীশ্বাহে লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে  ড্ৰোন, ৰেডাৰ, উন্নতমানৰ সীমা সুৰক্ষাৰ দৰে ব্যৱস্থাত অহৰহ আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰিছে। যোৱা ৬ দশক ধৰি অবিৰতভাৱে প্ৰথমশাৰীৰ প্ৰতিৰক্ষা সেনানী হিচাপে সেৱা আগবঢ়াই অহা সীমা সুৰক্ষা বাহিনীৰ জোৱানসকলৰ প্ৰশংসা কৰে। লগতে দেশৰ বাবে ছহিদ হোৱা ২ হেজাৰতকৈও অধিক সেনাৰ আত্মবলিদানৰ কথা স্মৰণ কৰি তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তেওঁ লগতে পূৰ্বৰ সংবেদনশীল ছাৰ ক্ৰীক আৰু হাৰামী নালাৰ ওপৰত বৰ্তমান  তীক্ষ্ণ দৃষ্টি ৰখা হৈছে বুলি জানিবলৈ দি কয়, যে এই অঞ্চললৈ যাব পৰাকৈ বৰ্তমান বাট পথ সুচল কৰি তোলা হৈছে আৰু অহা দুবছৰৰ ভিতৰত দেশব বাহিৰৰ যিকোনো উৎসৰ পৰা পাব পৰা ভাবুকিৰ সঠিক প্ৰত্যুত্তৰ দিব পৰা যাব বুলি উল্লেখ কৰে।

০০০০০

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে অনুপ্ৰৱেশৰ ফলত ৰাজ্যখনৰ জনগাথনিৰ ওপৰত পৰা প্ৰভাৱৰ বাবে উদ্বিগ্নতা প্ৰকাশ কৰিছে। নাবান্নাত আজি ৰাজ্যিক সচিবালয়ত মুখ্য লোকপিয়ল বিষয়াসকলৰ সন্মিলন মুকলি কৰি শ্ৰীঅধিকাৰীয়ে কয়, যে পূৰ্বৰ চৰকাৰখনে ৰাজ্যৰ অনুপ্ৰৱেশৰ সমস্যাটো সমাধানৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁ লগতে কয়ষ যে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দিষ্ট সময়ৰ মুৰে মুৰে পত্ৰ লাভ কৰাৰ পিছতো তৃণমূল প্ৰশাসনে লোকপিয়ল অভিযান আৰম্ভ কৰাৰ কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। অনুপ্ৰৱেশৰ ফলত সীমান্তৱৰ্তী জিলাসমূহ অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে লোকপিয়লৰ জৰিয়তে লাভ কৰা তথ্যসমূহ নীতি প্ৰনয়ন আৰু বিভিন্ন কল্যানমূলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত  ব্যৱহাৰ কৰা হ'ব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ভাৰত বাংলাদেশ সীমান্ত অঞ্চলত কাইটীয়া তাঁৰ নিৰ্মাণৰ বাবে ইতিমধ্যে সীমান্ত সুৰক্ষা বাহিনীক দায়িত্ব দিছে বুলি তেওঁ উল্লেখ কৰে।

পশ্চিমবংগত লোকপিয়ল অভিযানৰ সঞ্চালক ডঃ ৰশ্নী কামালে সংবাদ মাধ্যমৰ আগত কয়, যে এইবাৰ প্ৰথমবাৰৰ বাবে ডিজিটেল ব্যৱস্থাৰে লোকপিয়ল অভিযান ৰূপায়ণ কৰা হ'ব। য'ত ৰাজ্যৰ জনসাধাৰণে স্ব-গণনা প্ৰক্ৰিয়াৰ জৰিয়তে এই অভিযানত ভাগ লব পাৰিব। পশ্চিমবংগত পহিলা আগষ্টৰ পৰা ১৫ আগষ্টলৈকে স্বগণনা প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। ইয়াৰ পিছতে ১৬ আগষ্টৰ পৰা ১৪ ছেপ্তেম্বৰলৈকে গৃহপিয়লৰ প্ৰথম পৰ্যায় সম্পন্ন কৰা হ'ব। এই পৰ্যায়ত বিশেষ প্ৰশ্ন সম্বলিত তালিকাৰ জৰিয়তে তথ্যসমূহ আহৰণ কৰা হ'ব। লোকপিয়ল অভিযানৰ বাবে ২৪ ঘণ্টীয়া ৰাষ্ট্ৰীয় হেল্পলাইন নম্বৰ ১৮৫৫ সক্ৰিয় কৰি তোলা হৈছে। ৰাজ্যখনৰ লোকপিয়ল সম্বন্ধীয় তথ্যৰ বাবে এটা বিশেষ ৱেৱছাইটো মুকলি কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষকসকলে যাতে পৰ্যাপ্ত বীজ লাভ কৰে তাৰ বাবে দেশত ১ লাখ ৭৪ হাজাৰ কুইণ্টল বীজ মজুত ৰখা হৈছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত খাৰিফ অভিযান ২০২৬ সন্দৰ্ভত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৃষি সন্মিলনৰ দ্বিতীয় দিনা সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে এই পৰ্যন্ত ৯ লাখ ৭৬ হাজাৰ কৃষকক পৰিচয় পত্ৰ প্ৰদান কৰা হৈছে। তেওঁ কৃষকসকলে বিভিন্ন আঁচনিৰ সুবিধা লাভৰ আবেদনৰ বাবে অন্য কোনো তথ্যপাতিৰ প্ৰয়োজন নাই বুলিও উল্লেখ কৰিছে। শ্ৰীচৌহানে সাৰ বিতৰণৰ প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে ক'লা বজাৰ ৰোধ কৰাৰ লগতে কৃষকসকলে যাতে সময়মতে সাৰ লাভ কৰে তাৰ বাবে এই প্ৰক্ৰিয়া স্বচ্ছ হোৱাটো অতি গুৰুত্বপূৰ্ণ। কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীচৌহানে কৃষকসকলৰ সমাধান নোহোৱাকৈ থকা কিষাণ ক্ৰেডিট কাৰ্ডৰ বিষয়টো পৰ্যালোচনা কৰাৰ বাবে ৰাজ্য চৰকাৰসমূহক আহ্বান জনোৱাৰ লগতে কৃষকসকলক ঋণ প্ৰদান কৰাৰ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ বাবেও আহ্বান জনায়। খাদ্য শস্যৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতে অভাৱনীয় সফলতা লাভ কৰিছে বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয় যে দেশৰ মুঠ খাদ্য শস্যৰ উৎপাদন সৰ্বাধিক প্ৰায় ৩৬০ মিলিয়ন টনতকৈ অধিক হৈছে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যসমূহৰ কৃষিমন্ত্ৰী, জ্যেষ্ঠ বিষয়া, বিজ্ঞানী আৰু প্ৰগতিশীল কৃষকসকলৰ সৈতে ভাৰতীয় কৃষি ব্যৱস্থাৰ বিকাশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনাতো মিলিত হয়।

০০০০০

মেঘালয়ৰ ৰাজ্যসভা আসনৰ বাবে অহা ১৮ জুনত দ্বিবাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী বিষয়াই ৰাজনৈতিক দলসমূহৰ সৈতে অনুষ্ঠিত দ্বিবাৰ্ষিক নিৰ্বাচন সম্বন্ধীয় বৈঠকৰ পাছতে এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে বৰ্তমানৰ মেঘালয়ৰ ৰাজ্যসভাৰ সাংসদৰ কাৰ্যকাল অহা ২১ জুনত সামৰণি পৰিব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কৈছে যে, অধিসূচনা জাৰি কৰাৰ পাছতে অহা পহিলা জুনত মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৮ জুন মনোনয়ন দাখিল কৰাৰ অন্তিম দিন। ৯ জুনত মনোনয়ন পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীসকলে ১১ জুনৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ১৮ জুনত পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব আৰু একেদিনাই সন্ধিয়া ৫ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি মল্লযুজাৰু ৱিনেশ ফগতক কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া বাচনিমূলক পৰীক্ষণত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিছে। ন্যায়াধীশ পি এছ নৰসিমহা আৰু আলোক আৰাধেৰ যুটীয়া বিচাৰপীঠে Wrestling Federation of India ই দিল্লী উচ্চ ন্যায়ালয়ৰ এটা শুনানিৰ বিৰুদ্ধে আগবঢ়োৱা এক আবেদনৰ বিচাৰ হিচাপে এই নিৰ্দেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ৰ এখন বিচাৰপীঠে কয়, যে Wrestling Federation of India ৰ নীতি অনুসৰি বিবেচনাহীনভাৱে মাতৃত্বৰ বিৰতিৰ পাছত ঘুৰি অহা এগৰাকী ফগতৰ দৰে বিখ্যাত খেলুৱৈ আতৰাই ৰখাতো দুৰ্ভাগ্যজনক। বিচাৰপীঠখনে লগতে কয়, যে ফগতৰ দৰে এগৰাকী উজ্বল খেলুৱৈৰ বাবে মাতৃত্ব যাতে হেঙাৰ হিচাপে থিয় দিব নোৱাৰে এই বিষয়ে আইনগতভাৱে বিচাৰ কৰি চাব লাগে। উল্লেখযোগ্য যে ফগতে Wrestling Federation of India ৰ বাচনি প্ৰক্ৰিয়াৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল। এই প্ৰক্ৰিয়াত ২০২৬ বৰ্ষৰ এছিয়ান গেমছৰ বাচনিমূলক পৰীক্ষণত ফগতৰ অংশগ্ৰহণৰ ওপৰত বাধা আৰোপ কৰা হৈছিল।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি নিউ চণ্ডিগড়ত হ্বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছ্ত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ